# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-08-2025
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম বিধানসভাৰ উপাধ্যক্ষ নুমল মমিনক বিধানসভাৰ অধিবেশনৰ সময়ত শাৰিৰীকভাৱে বাধা দিয়া ঘটনা সন্দৰ্ভত আজি বিধানসভাৰ বিশেষ অধিকাৰ সমিতিয়ে বিধায়ক নুৰুল হুদাৰ ভাষ্য গ্ৰহণ কৰে। সমিতিখনৰ সন্মুখত বিধায়ক হুদাই উপাধ্যক্ষগৰাকীক শাৰিৰীকভাৱে বাধা দিয়াটো স্বীকাৰ কৰে। বিশেষ অধিকাৰ সমিতিৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ সিদ্ধাৰ্থ ভট্টাচাৰ্যই সংবাদ মাধ্যমৰ আগত এইকথা প্ৰকাশ কৰে। বিধায়ক শ্বেৰমান আলীয়েও অসম বিধানসভাৰ অধিবেশনৰ সময়ত কেতবোৰ অসংসদীয় মন্তব্য কৰিছিল। বিধায়ক আলীয়েও সমিতিখনৰ আগত এই মন্তব্যৰ বাবে দুখ প্ৰকাশ কৰে। দুয়োগৰাকী বিধায়কৰ মতামত গ্ৰহণৰ পাছত সমিতিয়ে অসম বিধানসভাৰ অধ্যক্ষৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব বুলি সমিতিৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীভট্টাচাৰ্যই প্ৰকাশ কৰে।

০০০০

কামৰূপ মহানগৰ জিলাৰ পকচো আদালতে আজি শিশু যৌন নিৰ্যাতনৰ গোচৰত যোগেন কোঁৱৰ নামৰ এজন লোকক ৫ লাখ টকা জৰিমণাসহ যাৱজ্জীৱন কাৰাদণ্ড বিহে। দিশপুৰ থানাত ৰুজু হোৱা এটা গোচৰৰ আধাৰত আদালতে এই দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰে। ইপিনে, দিশপুৰ থানাৰ আন এটা পৃথক গোচৰত আজি আদালতে শিৱ মালাকাৰ নামৰ এজন লোকক ১০ হাজাৰ টকা জৰিমণাসহ ২০ বছৰ সশ্ৰম কাৰাদণ্ড বিহে। যৌন নিৰ্যাতন আৰু বাল্য বিবাহ আইনৰ অধীনত আদালতে মালাকাৰক দোষী সাব্যস্ত কৰি শাস্তি প্ৰদানৰ লগতে ভূক্তভোগীক ৮ লাখ টকা ক্ষতিপূৰণ আদায়ৰ নিৰ্দেশ দিয়ে।

০০০০

ভাৰতীয় গ্ৰন্থাগাৰ বিজ্ঞানৰ জনক ডাঃ এছ আৰ ৰংগনাথনৰ জন্মদিনটো আজি ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস হিচাপে উদ্‌যাপন কৰা হৈছে। প্ৰতি বছৰে ১২ আগষ্টৰ দিনটো গ্ৰন্থাগাৰ বিজ্ঞানৰ জনকগৰাকীৰ স্মৃতিত এই দিৱস হিচাপে পালন কৰি অহা হৈছে। শিৱসাগৰ জিলাৰ যুৱ দল প্ৰেক্ষাগৃহত অসম পুথিভঁড়াল সেৱা সঞ্চালকালয়ৰ উদ্যোগত আৰু শিৱসাগৰ জিলা পুথিভঁড়ালৰ সহযোগত দিনযোৱা কাৰ্যসূচীৰে আজি এই দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়োজিত মুকলি সভাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তৃতা আগবঢ়ায়। এই সভাত জিলাখনৰ তক্ষশীলা গোস্বামী আৰু প্ৰফুল্ল গগৈ শ্ৰেষ্ঠ পঢ়ুৱৈৰ সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন জিলাৰ গ্ৰন্থাগাৰিকসকলৰ লগতে জিলাখনৰ ৩ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

ভাৰতীয় নৃকূল গ্ৰন্থাগাৰ সংস্থা আৰু অসম পুথিভড়াল সংঘৰ উদ্যোগত ধুবুৰী জিলাতো আজি ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। এই উপলক্ষে বিলাসীপাৰা মহাবিদ্যালয়ৰ ড° বাণীকান্ত কাকতি গ্ৰন্থাগাৰৰ সহযোগত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে গ্ৰন্থাগাৰ বিজ্ঞানৰ পুৰোধা ড° এছ আৰ ৰংগনাথনৰ প্ৰতিকৃতিত মাল্যাৰ্পন আৰু বন্তি প্ৰজলন কৰে ভাৰতীয় নৃকূল গ্ৰন্থাগাৰ সংস্থাৰ আহ্বায়ক ড° হৰিচৰণ দাসে। এই উপলক্ষে বক্তৃতানুষ্ঠান আৰু গ্ৰন্থ প্ৰণাম শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০

সামাজিক মাধ্যমত অসমীয়া জাতিক লৈ বিৰূপ মন্তব্য কৰা  এগৰাকী মহিলা ইউটিউবাৰক আজি মৰিগাওঁ জিলাৰ লাহৰিঘাট আৰক্ষীয়ে জিলাখনৰ গৰৈমাৰীৰ পৰা গ্ৰেপ্তাৰ কৰে। মহিলাগৰাকীক লাহৰিঘাট থানাৰ আৰক্ষীয়ে সোধা পোচা কৰি আছে। এই সন্দৰ্ভত কেইবাটাও সংগঠনে দাখিল কৰা অভিযোগৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু কৰি মহিলাগৰাকীক গ্ৰেপ্তাৰ কৰে।

০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই যৌথভাৱে আয়োজন কৰি অহা **অসম গ্ৰন্থমেলা** এইবছৰ ৰাজ্যখনৰ মুঠ ৮ টা স্থানত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় সভাকক্ষত আজি অনুষ্ঠিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই এই কথা প্ৰকাশ কৰে। সেইমৰ্মে  ২২ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ বঙাইগাওঁ, ১ নৱেম্বৰৰ পৰা ১০ নৱেম্বৰলৈ লখিমপুৰ, ৬ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈ নলবাৰী, ১৪ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ যোৰহাট, ২৮ নৱেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ তিনিচুকীয়া, ১ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ শিলচৰ আৰু ১২ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ মঙলদৈত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। গুৱাহাটীত এইবাৰ হ'বলগীয়া অসম গ্ৰন্থমেলা পূৰ্বৰ বাৰ দিনৰ ঠাইত ১৪ দিনীয়াকৈ আয়োজন কৰা হ'ব। বিগত বছৰৰ দৰে গুৱাহাটীৰ খানাপাৰৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত  অহা ২৪ ডিচেম্বৰ ২০২৫ ৰ পৰা ৬ জানুৱাৰী ২০২৬ লৈ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব।

০০০০

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে আজি তামুলপুৰত সুলভ মূল্যৰ বিক্ৰেতা আৰু গাওঁ পঞ্চায়তৰ সমবায় বিভাগৰ অভিলাসী আঁচনি বিষয়ক এখন সজাগতা সন্মিলনত অংশগ্ৰহণ কৰে। এই সভাত জিলাখনৰ ৪৪৮ গৰাকী সুলভ মূল্যৰ বিক্ৰেতা উপস্থিত থাকে। অনুষ্ঠানত ৰেচন কাৰ্ডৰ জৰিয়তে  চৰকাৰে ৰাজ সাহায্য হিচাপে হিতাধিকাৰীসকলক চাউল, ডাইল আদি সামগ্ৰীসমূহ কিদৰে সুন্দৰকৈ বিতৰণ কৰিব পাৰে সেই বিষয়ে পৰামৰ্শ দিয়া হয়। এই কাৰ্যসূচীত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমাৰ বিভাগৰ আয়ুক্ত হেমন্ত ভূঞা, তামুলপুৰৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০

সমাগত বিটিচি নিৰ্বাচনৰ পূৰ্বে চিৰাঙত ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ  বিজয় সংকল্প সভা অনুষ্ঠিত কৰাৰ পিছতে আজি কাজলগাঁৱত বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আশীৰ্বাদ যাত্ৰা অনুষ্ঠিত কৰে। তেওঁ সংবাদ মাধ্যমৰ আগত কয়, যে বি পি এফে এইবাৰ বি টি চি পৰিষদ গঠন কৰিব। শ্ৰীমহিলাৰীয়ে লগতে কয়, যে এন ডি এৰ পৰা ওলাই আহিলে ইউ পি পি এলৰ লগত মিত্ৰতা কৰাত বি পি এফৰ কোনো আপত্তি নাই।

০০০০

ঃঃ সমাপ্ত ঃঃ